**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 12-03-2026
**Time :** 21-25 Hrs

## ASSAMESE NIGHT BULLETIN

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী কাইলৈ দুদিনীয়া ভ্ৰমণসূচীৰে অসমলৈ আহিব। প্ৰধানমন্ত্ৰীয়ে এই ভ্ৰমণকালত ৩৭ হাজাৰ ৫০০ কোটি ব্যয় সাপেক্ষ বহুকেইটা প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব। শ্ৰীমোদীয়ে প্ৰথমে কোকৰাঝাৰত এখন জনসভাত অংশ লৈ ৪ হাজাৰ ৫৭৪ কোটি টকা ব্যয় সাপেক্ষ কেইবাটাও আন্তঃগাঁথনি প্ৰকল্প উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব। প্ৰধানমন্ত্ৰীৰ আগমনৰ পৰিপ্ৰেক্ষিতত কোকৰাঝাৰৰ বড়োফা নগৰৰ গ্ৰীন ফিল্ডত প্ৰস্তুতি সম্পূৰ্ণ হৈ উঠিছে।

প্ৰধানমন্ত্ৰী মোদী ইয়াৰ পাছত সন্ধিয়াৰ ভাগত গুৱাহাটীলৈ আহিব আৰু গুৱাহাটীত কেইবাটাও কাৰ্যসূচীত অংশ ল'ব। তেওঁ ৰাজ্যৰ ২০ হাজাৰ চাহ শ্ৰমিকক ভূমিপট্টা বিতৰণ কাৰ্যসূচীৰ শুভাৰম্ভ কৰিব। প্ৰধানমন্ত্ৰীয়ে দুহেজাৰ ৩২০ কোটি টকা ব্যয় সাপেক্ষ পশ্চিম কাৰ্বি আংলঙৰ কপিলী জলবিদ্যুৎ প্ৰকল্পৰ উৎপাদন প্ৰক্ৰিয়াৰো শুভাৰম্ভ কৰিব। শ্ৰীমোদীয়ে গুৱাহাটীত ১০ হাজাৰ কোটিৰো অধিক টকা ব্যয় সাপেক্ষ আন কেইবাটাও প্ৰকল্প উদ্বোধন কৰিব। এই অনুষ্ঠানতে তেওঁ প্ৰধানমন্ত্ৰী কিষাণ সন্মান নিধিৰ ২২ সংখ্যক কিস্তি মুকলি কৰিব। প্ৰধানমন্ত্ৰী মোদীয়ে এই আঁচনিৰ অধীনত দেশৰ প্ৰায় ৯ কোটি ৩২ লাখ কৃষকৰ বেংক একাউণ্টলৈ প্ৰত্যক্ষ লাভ হস্তান্তৰযোগে ১৮ হাজাৰ ৬৬০ কোটি টকা প্ৰেৰণ কৰিব। শ্ৰীমোদীয়ে পৰহিলৈ শিলচৰত ২৪ হাজাৰ ৫০৫ কোটি টকা ব্যয় সাপেক্ষ কেইবাটাও গুৰুত্বপূৰ্ণ প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব। প্ৰধানমন্ত্ৰীৰ ভ্ৰমণৰ বাবে শিলচৰত পূৰ্ণগতিত প্ৰস্তুতি চলি আছে। আমাৰ শিলচৰৰ সংবাদদাতাই জনোৱা মতে আজি ৰামনগৰ বাইপাছৰ বুধুৰাইল পথাৰত হেলিকপ্টাৰ অৱতৰণৰ বাবে অনুশীলন কৰা হয়।

০০০০

ৰাজ্য চৰকাৰৰ ১ লাখ নিযুক্তিৰ অংশ হিচাপে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি পুনৰ ৫ হাজাৰ ৭৫৪ গৰাকী প্ৰাৰ্থীক নিযুক্তি পত্ৰ প্ৰদান কৰে। গুৱাহাটীৰ খানাপাৰাৰ পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয় খেলপথাৰত এই উপলক্ষে আয়োজিত অনুষ্ঠানত ড০ শৰ্মাই কয়, যে ৰাজ্য চৰকাৰৰ স্বচ্ছ আৰু মেধাভিত্তিক নিযুক্তিৰ প্ৰক্ৰিয়া অব্যাহত আছে। বৰ্তমানলৈকে ১ লাখ ৬৪ হাজাৰ যুৱক-যুৱতীক নিযুক্তি প্ৰদান কৰা হৈছে বুলি উল্লেখ কৰি তেওঁ কয়, যে ২০২৬ৰ পৰা ২০৩১ চনৰ ভিতৰত ৰাজ্যত সম্পূৰ্ণ ২ লাখ দুৰ্নীতিমুক্ত চৰকাৰী চাকৰি মুকলি হ'ব। আজিৰ অনুষ্ঠানত শিক্ষা আৰু শক্তি খণ্ডত ৫ হাজাৰ ৭৫৪ গৰাকী প্ৰাৰ্থীক নিযুক্তি পত্ৰ প্ৰদান কৰা হয়।

০০০০

ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ আজি চতুৰ্বিংশতিতম সমাৱৰ্তন অনুষ্ঠানত ৰাজ্যপাল তথা বিশ্ববিদ্যালয়খনৰ আচাৰ্য লক্ষ্মণ প্ৰসাদ আচাৰ্যই সভাপতিত্ব কৰে। এই সমাৱৰ্তনত সৰ্বমুঠ ১২ হাজাৰ ২৬১ গৰাকী শিক্ষাৰ্থীক ডিগ্ৰী প্ৰদান কৰা

হয়। বিশিষ্ট চিকিৎসক ডাঃ সৰ্বেশ্বৰ ভূঞাক ডি এছ চি আৰু প্ৰখ্যাত সাহিত্যিক অৰুণাচলৰ মামন ডাইক ডি-লীট সন্মান প্ৰদান কৰা হয়। ইয়াৰ উপৰি বিশ্ববিদ্যালয়খনৰ বিভিন্ন বিষয়ক পাঠ্যক্ৰমত সৰ্বোচ্চ নম্বৰ প্ৰাপ্ত ৪১ গৰাকী শিক্ষাৰ্থীক ৰাজ্যপালৰ স্বৰ্ণপদক প্ৰদান কৰা হয়। অনুষ্ঠানত অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ডাঃ ধ্ৰুৱজ্যোতি বৰা, বিশ্ববিদ্যালয়খনৰ উপাচাৰ্য্য ড০ জিতেন হাজৰিকাকে ধৰি ভালেসংখ্যক বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰে।

০০০০

আকাশবাণী গুৱাহাটীৰ দৃষ্টিপাত অনুষ্ঠানত পৰহিলৈ নিশা ৮ বাজি ২ মিনিটত **বায়ু প্ৰদূষণজনিত বিভিন্ন ৰোগ আৰু ইয়াৰ প্ৰতিকাৰ** শীৰ্ষক এটা আলোচনা প্ৰচাৰ কৰা হ'ব। অনুষ্ঠানত কামৰূপ মহানগৰ জিলাৰ জলবায়ু পৰিৱৰ্তন আৰু মানৱ স্বাস্থ্য বিষয়ক ৰাষ্ট্ৰীয় কাৰ্যসূচীৰ ন'ডেল বিষয়া **ডাঃ কনক চন্দ্ৰ তালুকদাৰ** আৰু প্ৰদূষণ নিয়ন্ত্ৰণ পৰিষদ অসমৰ মুখ্য পৰিৱেশ বিজ্ঞানী **গৌতম কৃষ্ণ মিশ্ৰ** উপস্থিত থাকিব। অনুষ্ঠানটোৰ আঁত ধৰিব জিণ্টী ৰাণী ডেকাই।

০০০০

বজালী জিলাত আজি হোৱা ধাৰাষাৰ বৰষুণৰ ফলত পাঠশালাকে ধৰি কেইবাটাও অঞ্চল কৃত্ৰিম বানৰ কবলত পৰে। বৰষুণৰ ফলত ১২৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ বজালী উচ্চতৰ মাধ্যমিক বিদ্যালয়লৈ যোৱা পথটো সম্পূৰ্ণৰূপে বুৰ যোৱাৰ লগতে পথচাৰীসকলে দুৰ্ভোগ ভুগিবলগীয়া হয়। ইয়াৰ লগতে বিয়লিৰ ভাগত অহা প্ৰচণ্ড ধুমুহাই অঞ্চলটোৰ বহু ঘৰ-দুৱাৰৰ বিস্তৰ ক্ষতি কৰে। ধুমুহাৰ ফলত কেইবাজোপও গছ উভালি পৰাৰ লগতে বিদ্যুৎ সৰবৰাহ ব্যাহত হয়।

০০০০

গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা বিভাগৰ মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই আজি বৰপেটা নগৰ পানীযোগান প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰে। অসম নগৰ আন্তঃগাঁথনি উন্নয়ন আৰু বিত্তীয় নিগম লিমিটেডৰ উদ্যোগত তথা এছিয়ান ডেভেলপমেণ্ট বেংকৰ বিত্তীয় সাহায্যত এই প্ৰকল্পটো নিৰ্মাণ কৰা হ'ব। এই উপলক্ষে আজি বৰপেটা পৌৰসভাৰ খেলপথাৰত আয়োজিত এখন সভাত ভাষণ দি মন্ত্ৰীগৰাকীয়ে কয়, যে প্ৰায় এটা দশকৰো অধিক কাল বৰপেটা চহৰত ৰাজহুৱা পানীযোগান ব্যৱস্থা বন্ধ হৈ থকাৰ ফলত চৰকাৰে যোগান ধৰা বিশুদ্ধ খোৱাপানী লাভৰ পৰা জনসাধাৰণ বঞ্চিত হৈ আহিছে। ১১৭ কোটি টকা ব্যয় সাপেক্ষে নতুনকৈ নিৰ্মাণ কৰিবলগীয়া এই প্ৰকল্পই জনসাধাৰণৰ এই সমস্যা দূৰ কৰিব বুলি উল্লেখ কৰে। তেওঁ লগতে অহা ৩ বছৰৰ ভিতৰত এই প্ৰকল্প নিৰ্মাণ সম্পূৰ্ণ হ'ব বুলি প্ৰকাশ কৰে।

০০০০

ৰাজ্য চৰকাৰৰ চি আই ডি এ আঁচনিৰ অধীনত প্ৰায় ৫ কোটি টকা ব্যয়েৰে আধুনিকীকৰণ কৰা তেজপুৰ জিলা পুথিভঁৰালটো আজি ৰাইজৰ বাবে মুকলি কৰা হয়। এই প্ৰকল্পৰ অধীনত পুথিভঁৰালৰ শীত-তাপ নিয়ন্ত্ৰিত প্ৰেক্ষাগৃহ, অত্যাধুনিক আৰ্ট গেলাৰী আৰু পুথিভঁৰালৰ সন্মুখত স্থাপন কৰা মহাত্মা গান্ধীৰ প্ৰতিমূৰ্তিও আনুষ্ঠানিকভাৱে মুকলি কৰা হয়।

০০০০

ঃঃ সমাপ্ত ঃঃ